জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭৪/২০২১

# পৱিত্ৰ শ্বহিদী গুৰুপৰ্বৰ উপলক্ষে ধুবুৰীৰ ঐতিহাসিক গুৰুদ্বাৰত উপস্থিত হৈ মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থনা

## গুৰু টেগ বাহাদুৰৰ ত্যাগে সমগ্ৰ মানৱ জাতিক সাহস প্ৰদান কৰে ঃ মুখ্যমন্ত্ৰী

## ধুবুৰীৰ গুৰুদ্বাৰৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে প্ৰদান কৰিব ৫ কোটি টকা

**দিছপুৰ, ০৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি শিখসকলৰ পৱিত্ৰ 'শ্বহিদী গুৰুপৰ্বৰ' উপলক্ষে ধুবুৰীৰ ঐতিহাসিক গুৰুদ্বাৰত উপস্থিত হৈ গুৰু টেগ বাহাদুৰৰ প্ৰতি বিশেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আধ্যাত্মিক ক্ষেত্ৰখনত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীৰ কুশল-মংগল কামনাৰে সেৱা আগবঢ়ায়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভক্তবৃন্দক উদ্দেশ্যি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ দিনটো শিখ ধৰ্মাৱলম্বী আৰু ভাৰতবাসীৰ বাবে এক মহান দিন। গুৰু টেগ বাহাদুৰ চাহেবে সকলোৱে শান্তিৰে নিজ ধৰ্ম পালন কৰা তথা জোৰ জুলুমকৈ ধৰ্মান্তকৰণৰ তীব্ৰ বিৰোধিতা কৰিছিল। মোগল সম্ৰাট ঔৰংগজেৱে অতি পাপৰ কাম কৰিছিল বুলি উল্লেখ কৰি তেওঁৰ বিৰুদ্ধে মাত মতাৰ বাবে গুৰু টেগ বাহাদুৰ চাহেবক তেওঁ শিৰচ্ছেদ কৰিছিল। অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ গুৰু টেগ বাহাদুৰৰ ত্যাগে মানৱ জাতিক সাহস দিয়ে। বেয়া কামৰ বিৰুদ্ধে মাত দিবলৈ আমি গুৰুজীৰ কামৰ পৰা সাহস পাওঁ। ধুবুৰী গুৰুদ্বাৰা অতি পবিত্ৰ স্থান। এই ঠাইলৈ গুৰু নানক আহিছিল। ইয়াতে গুৰু নানকে শংকৰদেৱক লগ পাইছিল বুলি বুৰঞ্জীত উল্লেখ আছে। গুৰু টেগ বাহাদুৰ চাহেবে অসমৰ শান্তিৰ বাবে কাম কৰিছিল। অসমৰ শান্তি উন্নয়নৰ বাবে শিখসকলে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশাপ্ৰকাশ কৰাৰ লগতে গুৰুদ্বাৰটোৰ উন্নয়নৰ বাবে অসম চৰকাৰৰ পৰা ৫ কোটি টকা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰয়োজন সাপেক্ষে এই গুৰুদ্বাৰটো আটকধুনীয়া কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰু অধিক সহায়-সহযোগিতা আগবঢ়াব বুলি কয় যাতে এই গুৰুদ্বাৰটো দৰ্শনাৰ্থে সমগ্ৰ বিশ্বৰ শিখসকলে ইচ্ছা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, গুৰুদ্বাৰ সমিতিৰ সভাপতি মেহেৰ সিং, সাধাৰণ সম্পাদক কুলৱন্ত সিং, কাৰ্যকৰী সভাপতি ৰেসাম সিং ইত্যাদিকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**চিঃশঃ / বঃভাঃ /পুঃডেঃ**
**০৬-১২-২০২১**